# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 21-08-2017
Time : 1845 Hrs

## Assamese Evening Bulletin
## HEADLINES

১। অসমত বানপানীৰ ফলত মথাউৰি ভঙাৰ পূৰ্বে আগজাননী পাব পৰাকৈ ব্যৱস্থা লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আশ্বাস। ১৫খন জিলাত এইবাৰৰ দুয়োটা বৃহৎ বানত ২৬টা মথাউৰিৰ ক্ষতি। মথাউৰি মেৰামতিৰ কাম পূৰ্ণগতিত।

২। অসমৰ সামগ্ৰিক বান পৰিস্থিতি বৰ্তমান যথেষ্ট উন্নত। আশ্ৰয় শিবিৰৰ পৰা ঘৰমুৱা হৈছে প্ৰায়বোৰ বানাক্ৰান্ত লোক। ৰাজ্যৰ ৩ লাখৰো অধিক হেক্টৰ কৃষিভূমি বানত ক্ষতিগ্ৰস্ত।

৩। আজি সন্ধিয়া নতুন দিল্লীত বি-জে-পি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী তথা উপ-মুখ্যমন্ত্ৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বি-জে-পিৰ সভাপতি অমিত শ্বাহৰ বৈঠক বৰ্তমান অব্যাহত।

**আৰু**

৪। কৃষকৰ সুবিধাৰ অৰ্থে ভূমিৰ মান নিৰ্ণয় কাৰ্ডসমূহ কৃষকসকলৰ থলুৱা ভাষাত চপোৱাৰ পৰামৰ্শ দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমত মথাউৰি ভঙাৰ পূৰ্বে আগজাননী লাভ কৰিব পৰাকৈ এক কাৰ্যকৰী ব্যৱস্থা আৰম্ভ কৰিব। ৰাজ্যৰ জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীত সাংবাদিকৰ আগত কয় যে ৰাজ্যত এই ধৰণৰ ৭০টা সংবেদনশীল স্থান আছে। মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ জলসম্পদ মন্ত্ৰালয়ৰ সচিব অমৰজিৎ সিঙে কালি নগাঁও জিলাৰ হাতীমূৰাত থকা মথাউৰিটো পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে এই ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰ্থিক সাহায্য আৰু কাৰিকৰী সহযোগিতা আগবঢ়াব। শ্ৰীমহন্তই কয় যে ৰাজ্যখনত দুয়োটা বানতে ১৫খন জিলাৰ ২৬টা স্থানত মথাউৰি ভাঙিছে। ইয়াৰে ভিতৰত মাজুলী জিলাত সৰ্বাধিক ১০টা স্থানত মথাউৰি ভাঙিছে। আনহাতে, বানপানীৰ মাজতে পূৰ্বে ভঙা পাঁচটা স্থানত মথাউৰিৰ মেৰামতি সম্পূৰ্ণ কৰা হৈছে। বান ক্ষতিগ্ৰস্ত লোকক পৰ্যাপ্ত সাহায্য আগ নবঢ়োৱা বুলি উত্থাপিত অভিযোগ খণ্ডন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ নিৰ্দেশ মৰ্মে প্ৰতিগৰাকী মন্ত্ৰী-সাংসদ আৰু বিধায়ক উদ্ধাৰ আৰু সাহায্য অভিযান তদাৰক কৰিছিল।

০০০০০০০

ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতি যথেষ্ট উন্নত হৈছে। বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পানী শুকাবলৈ ধৰাত বিভিন্ন ঠাইত আশ্ৰয় শিবিৰৰ পৰা বানাক্ৰান্ত লোকসকল নিজ নিজ গৃহলৈ উভতি যাবলৈ আৰম্ভ কৰিছে। অৱশ্যে উজনি অসমৰ বহু ঠাইত এতিয়াও বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত বহুলোক আশ্ৰয় শিবিৰতে আছে। ক্ষতিগ্ৰস্ত কেতবোৰ অঞ্চলত

জিলা প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। ঠায়ে ঠায়ে ভঙা মথাউৰি আৰু বানত ক্ষতিসাধন হোৱা বাট-পথসমূহৰ মেৰামতিৰ কাম আৰম্ভ কৰা হৈছে।

গোৱালপাৰা জিলাৰ বান পৰিস্থিতি যথেষ্ট উন্নতি হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। অৱশ্যে এতিয়াও জিলাখনৰ ৬৭ খন ৰাজহ গাঁও বানপানীৰ কবলত আছে। এতিয়াও ২৪টা শিবিৰত বান পীড়িত লোকসকলে আশ্ৰয় লৈ আছে। বহু ঠাইত পথযোগাযোগ ব্যাহত হৈ থকা বুলিও জানিব পৰা গৈছে।

ধেমাজি জিলাৰ বান পৰিস্থিতি উন্নত হৈছে যদিও বানৰ সৈতে অহা বালিয়ে খেতিপথাৰসমূহ পুতি পেলোৱাত ৰাইজ সমস্যাৰ সন্মুখীন হৈছে। উল্লেখযোগ্য যে, শেহতীয়া বানত জিলাখনৰ ২৪ হাজাৰ ৮৮১ হেক্টৰ খেতিপথাৰ বালিয়ে পুতি পেলায়। অৱশ্যে বানে উটুৱাই নিয়া ধান খেতি পুনৰ কৰাৰ বাবে কৃষি বিভাগে যোগান ধৰা ১৫০ হেক্টৰ মাটিত কৃষকে নতুনকৈ কঠিয়া ৰোপণ কৰিছে। ইফালে বহু ঠাইত এতিয়াও যাতায়ত ব্যাহত হৈ আছে।

০০০০০০০

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই, কলিয়াবৰৰ হাতীমূৰা বান্ধ ভঙা বিষয়টো সন্দৰ্ভত ষড়যন্ত্ৰ থকা বুলি উল্লেখ কৰি এই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীৰে মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। আজি গুৱাহাটীত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে এই সন্দৰ্ভত ইতিমধ্যে জিলা প্ৰশাসনৰ তৰফৰ পৰা দুটাকৈ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। তেওঁ কয় যে হাতীমূৰাৰ ৩ দশমিক ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ ওপৰ ভাগ প্ৰায় ১৫ লাখ টকা ব্যয়সাপেক্ষে শক্তিশালীকৈ মেৰামতি কৰা হৈছিল। মথাউৰি মেৰামতিত তেওঁৰ পৰিয়ালৰ সদস্যই সঠিকভাৱে কাম নকৰা বুলি উত্থাপিত অভিযোগ নাকচ কৰি তেওঁ কয় যে যি দুটা প্ৰতিষ্ঠানে মেৰামতিৰ দায়িত্ব লাভ কৰিছিল তেওঁলোকে সুন্দৰভাৱে কৰ্তব্য পালন কৰিছিল। শ্ৰীমহন্তই কয় যে মথাউৰিৰ ওপৰেৰে যান-বাহন চলাচল কৰিব পাৰে। মন্ত্ৰীগৰাকীয়ে কয় যে হাতীমূৰাৰ মথাউৰি ভঙাৰ ক্ষেত্ৰত ষড়যন্ত্ৰ সংঘটিত হ'ব পাৰে আৰু সেইবাবে তেওঁ মুখ্যমন্ত্ৰীক উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে অনুৰোধ জনাইছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে আৰু দোষী ব্যক্তিয়ে কোনো কাৰণতে সাৰি নাযায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ কয় যে শ্ৰীবৰা পূৰ্বে মন্ত্ৰী হৈ থকাৰ কুফল গহপুৰবাসীয়ে বানপানীৰ সময়ত লাভ কৰিছে।

০০০০০০০

নতুন দিল্লীত দেশৰ বি-জে-পি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী তথা উপ-মুখ্যমন্ত্ৰীসকলৰ বৈঠক। বৈঠকত প্ৰধানমন্ত্ৰী আৰু বি-জে-পি সভাপতি অমিত শ্বাহে ৰাজ্যসমূহত কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰিব। বৈঠকত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। এই বৈঠকত ৰাজ্যসমূহত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ সমাধানৰ বিষয়ে আলোচনা হোৱাৰ সম্ভাৱনা আছে। লগতে উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সম্পৰ্কেও পৰ্যালোচনা কৰা হয়। এই বৈঠকত বি-জে-পি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলে ভালেমান আঁচনিৰ বিষয়ে প্ৰস্তাৱ দাঙি ধৰাৰ সম্ভাৱনা আছে। এই বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল নতুন দিল্লীলৈ গৈছে। সোনোৱালে ৰাজ্যখনত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় খণ্ডৰ কেইবাখনো ঘাই ঘাই আঁচনি ৰূপায়ণৰ অগ্ৰগতি তথা অসুবিধাসমূহ সম্পৰ্কে ব্যাখ্যা কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি নতুন দিল্লীত ভূমিৰ মান নিৰ্ণয় কাৰ্ড আঁচনি আৰু প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ৰূপায়ণ সম্পৰ্কে পৰ্যালোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে ভূমি মান নিৰ্ণয় কাৰ্ডসমূহ কৃষকৰ নিজৰ ভাষাত চপোৱাৰ পৰামৰ্শ আগবঢ়ায়। কৃষকে সহজতে নিজৰ ভাষাত সেইবোৰ পঢ়ি ব্যৱস্থা লোৱাৰ বাবে এই পৰামৰ্শ আগবঢ়ায়। তেওঁ ভিন ভিন পৰীক্ষাগাৰত চলোৱা অধ্যয়ন যাতে শুদ্ধ হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে ১৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত প্ৰথম পৰ্যায়ত ভূমিৰ মান নিৰ্ণয় কাৰ্ড বিতৰণ সম্পূৰ্ণ হৈছে আৰু বাকীবিলাকত এই কাম চলি আছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ প্ৰসঙ্গত প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে ২০১৬ চনৰ খাৰিফ শস্যৰ বতৰত আৰু ২০১৬-১৭ বৰ্ষৰ ৰবি শস্যৰ বতৰত ৭ হাজাৰ ৭০০ কোটি টকাতকৈও অধিক পৰিমাণৰ বীমাৰ নিষ্পত্তি কৰা হৈছে। আৰু ইয়াৰ ফলত ৯০ লাখ কৃষক উপকৃত হৈছে।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰেই ইয়াৰ অধীনৰ ৰে'লৰ লগতে প্ৰতিষ্ঠানসমূহত এক তিনি-সপ্তাহজোৰা বিশদ পৰিদৰ্শন অভিযান আৰম্ভ কৰিছে। ৰে'লৰেৰ বিভিন্ন শাখাৰ বিষয়াৰে গঠিত দলে চলোৱা এই অভিযানত ২৭-যোৰ ৰে'লৰ পেণ্ট্ৰিকাৰৰ সেৱা পৰীক্ষা কৰাৰ লগতে সাতটা মূল ৰান্ধনীশাল পৰিদৰ্শন কৰিছে। অভিযানত ৩৪২ জন কৰ্তৃত্ববিহীন ভেণ্ডৰক কৰায়ত্ত কৰি ২০৭জনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। এই পৰিদৰ্শন কালত ৰে'লসমূহৰ লগতে সকলো প্ৰতিষ্ঠানতে পৰিস্কাৰ-পৰিচ্ছন্নতা অটুট ৰখাত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০০

বাক্সা জিলাৰ তামুলপুৰ মহকুমাৰ ২নম্বৰ দোঙাৰ গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এতি পাঁচ বছৰীয়া কন্যা শিশুৰ মৃত্যু হয়। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, বনৰীয়া হাতীৰ এটা বৃহৎ দলে খাদ্যৰ সন্ধানত গাঁওখনত প্ৰৱেশ কৰি ৭টাকৈ পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে খেতিপথাৰ, ভঁড়ালৰ ধান আদি খাই তহিলং কৰে। উল্লেখযোগ্য যে, তামুলপুৰৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত যোৱা সময়ছোৱাত হাতী-মানুহৰ সংঘাট ক্ৰমাৎ বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে।

০০০০০০০

শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত লগা সাৱধানাতা সন্দৰ্ভত এন ডি আৰ এফৰ উদ্যোগত এলানি সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ ৰূপে শিৱসাগৰ নগৰৰ থানুৰাম গগৈ সোঁৱৰণী মাধ্যমিক বিদ্যালয়ত এখনি সজাগতা সভা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, ইতিমধ্যে ৭খন বিদ্যালয়ত এনে সভা অনুষ্ঠিত হৈছে আৰু পৰৱৰ্তী পয্যায়ত জিলাখনৰ ১৬খন বিদ্যালয়ত সজাগতা সভা অনুষ্ঠিত কৰা হ'ব।

০০০০০০০

নগাঁও জিলৰাৰ ৰূপহীহাটৰ দৈনিক বজাৰত যোৱা নিশা সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত ১২খন দোকান ভস্মীভূত হোৱাৰ লগতে কেইবা লক্ষাধিক টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন হয়। বৈদ্যুতিক চৰ্টচাৰ্কিটৰ ফলতেই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে।

০০০০০০

**সমাপ্ত**